**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি ছহেজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঝাৰখণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। জনজাতীয় গৌৰৱ দিৱসৰ সৈতে সংগতি ৰাখি গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ বাঁছেৰা পাৰ্কত আজি বীৰছা মুণ্ডাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

৩। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰৱ পালন কৰা হৈছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ মুকলি কৰিব। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জামুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি ছহেজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজিৰ ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। একে সময়তে তেওঁ ধৰতি আবা ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ বছৰজোৰা উদযাপন পৰ্বও মুকলি কৰে।

অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে এনেদৰে কয়–

*(বাইট)*

উল্লেখযোগ্য যে আজি অনুষ্ঠানত উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা প্ৰকল্পসমূহৰ জৰিয়তে জনজাতীয় সম্প্ৰদায়ক উন্নীত কৰাৰ লগতে অঞ্চলটোৰ দূৰণিবতিয়া তথা গ্ৰামাঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে ভগৱান বীৰছা মুণ্ডাৰ জীৱন তথা সমৃদ্ধিশালী জনজাতীয় ঐতিহ্য আৰু সংস্কৃতিৰ আধাৰত আয়োজন কৰা এখন প্ৰদৰ্শনীও মুকলি কৰে। তদুপৰি তেওঁ জনজাতীয় সম্প্ৰদায়ৰ ইতিহাস আৰু ঐতিহ্যৰ সংৰক্ষণৰ উদ্দেশ্যে দুটা জনজাতীয় স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয় আনুষ্ঠানিকভাৱে মুকলি কৰে। শ্ৰী মোদীয়ে লগতে **প্ৰধানমন্ত্ৰী**

**জনমন** অভিযানৰ অধীনত নিৰ্মাণ কৰা ১১ হাজাৰ বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানতো ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে অংশগ্ৰহণ কৰে।

আজিৰ এই অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম আৰু চিৰাগ পাছোৱানকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে বীৰছা মুণ্ডা আৰু বুধৰাম মুণ্ডাৰ বংশধৰৰ লগতে ছহীদ ছিধো কানহু আৰু মণ্ডল মুৰ্মুৰ পৰিয়ালৰ সদস্যসকলক সম্বৰ্ধনা জনায়।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ড ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ঝাৰখণ্ডবাসীক শুভেচ্ছা জ্ঞাপন কৰে। সমাজিক মাধ্যমত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে ভগৱান বীৰছা মুণ্ডা, বীৰ ছিড' কানহু, চান্দ ভৈৰৱ, টিলকা মাঝি আৰু নীলাম্বৰ-পিতম্বৰে ঝাৰণ্ডৰ ভূমিক গৌৰৱান্বিত কৰি তুলিছে। তেওঁ লগতে কয়, যে ঝাৰখণ্ড এখন প্ৰাকৃতিক সম্পদৰে চহকী ৰাজ্য আৰু ইয়াৰ জনসাধাৰণে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত অমূল্য অৱদান আগবঢ়াইছে। তেওঁ কয়, যে ঝাৰখণ্ডৰ সমাজখন বিশেষকৈ জনজাতীয় সমাজ সাংস্কৃতিক বৈচিত্ৰতাৰ বাবেও পৰিচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে ঝাৰখণ্ডৰ জনসাধাৰণৰ  উজ্বল ভৱিষ্যৎ তথা উন্নয়নৰ শীৰ্ষত উপনীত হোৱাৰ বাবে কামনা কৰে। উপ-ৰাষ্ট্ৰপতি ধনখড়ে কয়, যে ঝাৰখণ্ডৰ প্ৰাকৃতিক সম্পদ, বন্য প্ৰাণীৰ বৈচিত্ৰ্য আৰু চহকী সংস্কৃতিয়ে দেশৰ প্ৰগতিত যথেষ্ট অৱদান আগবঢ়াইছে। তেওঁ কয়, যে জনজাতীয় সম্প্ৰদায়সমূহে ইয়াৰ পৰিচয়ৰ মূল শিলাস্তম্ভ আৰু তেওঁলোকে ভাৰতৰ স্বাধীনতা আন্দোলনত অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। শ্ৰী ধনখড়ে অনাগত দিনবোৰত প্ৰগতি আৰু সমৃদ্ধিৰ নতুন গতি লাভ কৰিব বুলি কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ঝাৰখণ্ডৰ জনজাতীয় সমাজৰ সংগ্ৰাম আৰু ত্যাগে দেশবাসীক সদায়ে গৌৰৱান্বিত কৰি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰাকৃতিক সম্পদৰে ভৰপূৰ ৰাজ্যখন দ্ৰুত গতিত আগবাঢ়ি যোৱাটো কামনা কৰে।

০০০০০০

আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ভগৱান বীৰছা মুণ্ডাক দেশৰ স্বাধীনতা আন্দোলনৰ মহান বীৰ যোদ্ধাসকলৰ অন্যতম বুলি অভিহিত কৰিছে। জনজাতীয় গৌৰৱ দিৱস উপলক্ষে নতুন দিল্লীৰ বাঁছেৰা পাৰ্কত বীৰছা মুণ্ডাৰ প্ৰতিমূৰ্তি এটা উন্মোচন কৰি শ্ৰী শ্বাহে কয়, যে জনজাতীয় সম্প্ৰদায়সমূহ চিৰদিন ভগৱান বীৰছা মুণ্ডাৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'ব। বীৰছা মুণ্ডাই কম বয়সতে ৰাষ্ট্ৰৰ প্ৰতি তথা জনজাতীয় লোকসকলৰ উন্নতিৰ বাবে জীৱন উৎসৰ্গা কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে জনজাতীয় সম্প্ৰদায়ৰ মাজত পানী, ভূমি আৰু অৰণ্যৰ অপৰিহাৰ্যতা সন্দৰ্ভত তেওঁ সজাগতাৰ সৃষ্টি কৰিছিল।

০০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰৱ পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু, গুৰু নানকৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰপতিয়ে কয়, যে গুৰু নানকে

সকলোকে কঠোৰ পৰিশ্ৰমৰ মাজেৰে আধ্যাত্মিকতাৰ পথ দেখুৱাইছে আৰু সত্য, সন্তুষ্টি, দয়া আৰু প্ৰেমৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াৰ কথা শিকাইছে। তেওঁ আৰু কয় যে গুৰু নানকৰ আদৰ্শ গ্ৰহণ কৰি এখন সুষম আৰু সমতাৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াতো সকলোৰে সামূহিক দায়িত্ব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গুৰু নানকৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰতি নিজৰ দায়িত্ববদ্ধতা দৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ মানুহক সত্য, সমন্বয় আৰু সকলো সত্বাৰ ঐক্যৰ নীতিৰ প্ৰতি উৎসৰ্গা কৰিবলৈ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা কৰে যে, গুৰু নানকৰ শিক্ষাই মানুহক মমতা, দয়া আৰু নম্ৰতাৰ মনোভাবেৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। তেওঁ কামনা কৰে যে ইয়াৰ দ্বাৰা মানুহ সমাজ সেৱাৰ প্ৰতি উদ্বুদ্ধ হৈ এখন নতুন পৃথিৱী গঢ়ি তুলিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ মুকলি কৰিব। অকল বড়োলেণ্ডতেই নহয় বৰং অসম, পশ্চিমবংগ আৰু নেপাল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বাস কৰা থলুৱা বড়ো লোকসকলক একত্ৰিত কৰাই ভাষা-সাহিত্য আৰু সংস্কৃতিৰ এই দুদিনীয়া মহোৎসৱৰ মূল উদ্দেশ্যে। এই মহোৎসৱৰ মূল বিষয় বস্তু হৈছে সমৃদ্ধিশালী ভাৰতৰ বাবে শান্তি আৰু সমৃদ্ধি। বডোলেণ্ড মহোৎসৱৰ জৰিয়তে বিটিআৰ অঞ্চলৰ সংস্কৃতি, ভাষা আৰু শিক্ষা আদিত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব আৰু অঞ্চলটোত চহকী সাংস্কৃতিক আৰু ভাষিক ঐতিহ্য, জৈৱ বৈচিত্ৰ আৰু পৰ্যটনৰ সম্ভাৱনা তুলি ধৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০২০ চনত বড়ো শান্তি চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইয়াৰ ফলত বড়োলেণ্ডত দশক দশক জোৰা হিংসা, সংঘৰ্ষৰ অৱসান ঘটিছিল। এই চুক্তিখনে অন্য শান্তি চুক্তিৰো বাত প্ৰশস্থ কৰিছিল। এই মহোৎসৱত বি টি আৰ অঞ্চলৰ লগতে অসমৰ বিভিন্ন ঠাই, পশ্চিমবংগ, ত্ৰিপুৰা, নাগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু দেশৰ বিভিন্ন প্ৰান্তৰ ৫ হাজাৰৰো অধিক সাংস্কৃতিক, ভাষিক আৰু কলা প্ৰেমীয়ে অংশ ল'ব।

oooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে অসমত সংঘটিত অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত ৪১টা গোচৰৰ অনুসন্ধান আৰম্ভ কৰিছে। সংস্থাটোৱে এই সংক্ৰান্তত অসমকে ধৰি ৫খন ৰাজ্যৰ ৯২ টা স্থানত তালাচী অভিযান চলাই বৰ্তমানলৈ ২৪টা ম'বাইল ফোন, ১৮টা ডেস্কটপ, ৭টা হাৰ্ড ড্ৰাইভ আৰু ১১টা লেপটপকে ধৰি বহু সামগ্ৰী জব্দ কৰাৰ লগতে অবৈধ ধনৰ লেন-দেন সন্দৰ্ভত ভালেমান তথ্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

oooooo

অহা সপ্তাহত হ'বলগীয়া ঝাৰখণ্ডৰ দ্বিতীয় পৰ্যায়ৰ আৰু মহাৰাষ্ট্ৰৰ এটা পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে ভিন ভিন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ তৰি তুলিছে। ঝাৰখণ্ড বিধানসভাৰ ৩৮টা সমষ্টিৰ বাবে অহা ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হব। আনহাতে একেটা দিনতে মৰাহাষ্ট্ৰৰ ২৮৮ টা বিধানসভা সমষ্টিৰ বাবেও ভোটগ্ৰহণ কৰা হ'ব।

oooooo

অষ্ট্ৰেলিয়াৰ উচ্চায়ুক্ত ফিলিপ গ্ৰীণে আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ সচিব ড০ দেৱেশ চতুৰ্বেদীক সাক্ষাৎ কৰে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে তেওঁলোকৰ এই

বৈঠকে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ কৃষি তথা আনুসংগিক খণ্ডসমূহত পাৰস্পৰিক সহযোগিতাৰে কাম কৰাৰ বাবে নতুন সুযোগ উদ্ভাৱনৰ পথ প্ৰশস্ত কৰিছে। কৃষি প্ৰযুক্তি, উদ্যান শস্য, ডিজিটেল কৃষি আদিৰ দৰে ভালেমান ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাক আগবঢ়াই নিয়াৰ বিষয়ত উভয়পক্ষ সহমতত উপনীত হয় বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

oooooo

সমাপ্ত